লাগে। তেওঁ সমাজৰ সৈতে নিবিড় সম্পর্ক ৰাখিব লাগে।

শিক্ষাৰ বিভিন্ন স্তৰত, সহপাঠ্যক্রম কার্যসূচী আৰু বিভিন্ন বিষয়ৰ দ্বাৰা জনসংখ্যা শিক্ষা দিব লাগে। জনসংখ্যাৰ বিভিন্ন তথ্য কিছুমান বিষয়ত যেনে- ভূগোল, বুৰঞ্জী, পৌৰ বিজ্ঞান, সাহিত্য আদিত অন্তর্ভুক্ত কৰিব পাৰি। জনসংখ্যা শিক্ষা দিবৰ বাবে সহপাঠ্যক্রম কার্যসূচীসমূহ, জৰীপকৰণ, নাট, আলোচনা আৰু আলোচনা চক্র, কর্মশালা, শিক্ষামূলক ভ্রমণ, চিনেমা মেপ প্রদর্শন, চার্ট ইত্যাদিবোৰৰ ব্যৱহাৰ কৰিব পাৰি।

জনসংখ্যা শিক্ষাৰ ক্ষেত্রত শিক্ষকসকলক প্রশিক্ষণ দিব লাগে, যিহেতু জনসংখ্যা শিক্ষা হৈছে সমাজৰ এক গুৰুত্বপূর্ণ দিশ। শিক্ষকে সদায় জনসংখ্যা বৃদ্ধিৰ গতিশীলতা, ইয়াৰ কাৰণসমূহ আৰু ইয়াৰ পৰিণাম সম্পর্কে সম্পূর্ণৰূপে সজাগ হ'ব লাগে। তেওঁ সাধাৰণ জীৱন ধাৰণৰ উদাহৰণ ছাত্র-ছাত্রীৰ আগত দাঙি ধৰি জনসংখ্যা শিক্ষাৰ জ্ঞান দিব লাগে।



১৪.৮ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ ঃ জনসংখ্যাৰ বৃদ্ধি সম্পর্কে ছাত্র-ছাত্রীৰ মাজত সজাগতা অনাৰ ক্ষেত্রত শিক্ষকৰ ভূমিকা চমুকৈ লিখক।

প্রশ্ন ২ ঃ জনসাধাৰণৰ উন্নতমানৰ জীৱন ধাৰণৰ ক্ষেত্রত শিক্ষকে লোৱা বিভিন্ন স্তৰবোৰ উল্লেখ কৰক।

(খ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ ঃ জনসংখ্যা শিক্ষা বিস্তাৰৰ ক্ষেত্রত শিক্ষকৰ দায়িত্ব আৰু কর্তব্যসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ জনসংখ্যা শিক্ষাৰ ক্ষেত্রত শিক্ষকৰ ভূমিকা আলোচনা কৰক।

*** ***** ***